বিজ্ঞান ধাৰাৱাহিক খণ্ড - ৩৮

দুৰ্য্যোগ ব্যৱস্থাপনাৰ আলেখলেখ ড০ ৰমেশ চন্দ্ৰ গোস্বামী

চৰিত্ৰ সমূহ –

১. প্ৰফেছাৰ মিশ্ৰ - ব্যক্তিগত গৱেষণাগাৰৰ স্বত্বাধিকাৰী
২. পৰিনীতা (পৰী) - গৱেষক ছাত্ৰী
৩. অংকিত - দশম শ্ৰেনীৰ ছাত্ৰ
৪. ৰিমজিম - সপ্তম শ্ৰেনীৰ ছাত্ৰী

(মিশ্ৰ আৰু পৰিনীতা লেবত। অংকিত আৰু ৰিমজিমক মিশ্ৰই সময় ধৰি দিছে। সিহঁত আহিব।)

প্ৰ. মিশ্ৰ - পৰী, পৰী।

পৰী - গৈছোঁ ছাৰ।

প্ৰ. - আমাৰ মুঠ প্ৰশিক্ষাৰ্থী কিমান হ'বগৈ বাৰু?

পৰী - এতিয়ালৈকে ৫২ জনৰ নাম পাইছোঁ। ৬০ জন আশা কৰিছোঁ।

প্ৰ. - তেনেহ'লে ফাইল পেন, পেড, প্ৰগ্ৰাম শ্বিট, সকলো সাজু কৰি ৰাখিবা। আজিৰ ভিতৰতে লাগিব বুলি ক'বা।

পৰী - হ'ব ছাৰ। ছাৰ, আজি এনেকুৱা সময়তে দুটা ল'ৰা-ছোৱালী আহিব বুলি লিখা আছে নহয়।
প্ৰ. - সেইযে সিদিনা ওখকৈ ল'ৰা এটাই লগ কৰিছিলহি, দশম শ্ৰেনীৰ যে?

পৰী - হয়, লগতে তাৰ ভনীয়েকো আহিব হ'বলা।

প্ৰ. – ঠিক আছে, আহিলেই মোৰ কোঠালৈ লৈ আহিবা। মই সাজু আছোঁ। - আৰু শুনা, মোৰ আৰু তোমাৰ ব্ৰাকফাষ্ট ৰেডি হ'ল নেকি খবৰ কৰা। ৰেওঁলোকৰ কাৰণেও ৰাখিবলৈ ক'বাহঁক।

(লগে লগে কলিং বে'ল বাজে)

প্ৰ. – চোৱাঁগৈচোন, তেওঁলোকেই নেকি!

পৰী – তেওঁলোকেই হবলা।

(দুৱাৰ খোলাৰ শব্দ)

পৰী – অ', আহা, আহা? ছাৰ বৈ আছেই।

দুয়ো – গুড মৰ্নিং মে'ম।

পৰী – গুড মৰ্নিং। (ৰিমজিমলৈ) তোমাৰ নাম?

ৰিমজিম – ৰিমজিম কাকতি।

প্ৰ. – আঁ, আহা, আহা।

প্ৰ. – বহা, বহা। পিছে আহিলা কেনেকৈ? গাড়ী চলিছেনে সেই ৰাস্তাৰে?

অংকিত – নাই ছাৰ, ৰাস্তাৰ বহু অংশ বেয়া কৈ নষ্ট হৈছে। আমি চাইকেল লৈহে আহিছোঁ।

প্ৰ. – তোমালোক দুয়ো স্কুললৈ চাইকেল লৈ যোৱানে?

দুয়ো – হয় ছাৰ।

প্ৰ.- এইবোৰ বানপানীৰ তাণ্ডৱ। ৰাস্তাঘাট মেৰামতি কৰোঁতে আৰু বা কিমান দিন লাগে!

ৰিমজিম – ছাৰ

প্ৰ. – সৌপিনে কি চাই আছা?

ৰিম – সৌ বিল্ডিংটো ছাৰ। বেৰখন কেনেকৈ ফাটি গৈছে!

প্ৰ. – এৰা, যোৱা মাহত যে ভূমিকম্প হৈছিল, সেই ভূমিকম্পৰ ফলত বেৰখন বেয়াকৈ ফাটি গৈছে।

অংকিত – অলপ হালিও যোৱা যেন লাগিছে ছাৰ।

প্ৰ. – হয়, অলপ হালিও গৈছে। বানপানী, ভূমিকম্প – এইবোৰ প্ৰাকৃতিক দুৰ্য্যোগ। অ' ৰ'বা, ৰ'বা। পাহিৰিছিলোৱেই। তোমালোকে মোক কিহৰ কাৰণে লগ পাব বিচাৰিছিলা?

অংকিত – ছাৰ, আমি এটা সৰু ক্লাব গঠন কৰিব খোজোঁ। তাৰ মূল উদ্দেশ্য হ'ব দুৰ্য্যোগ ব্যৱস্থাপনা সম্পৰ্কত মানুহৰ মাজত সজাগতা গঢ়ি তোলা।

প্ৰ. – অতি ভাল কথা। তোমালোকৰ বয়সৰ পৰাই এনেকুৱা কামৰ প্ৰতি মনোযোগ দিয়া উচিত।

অংকিত – হয় ছাৰ। আমি ক্লাবটো গঠন কৰাতহে আগ ভাগ ল'ম। আমাতকৈ কিছু ছিনিয়ৰ দাদা কেইজনমানক অনুৰোধ কৰি থৈছোঁ।  তেখেতসকলেহে নেতৃত্ব দিব।

প্ৰ. – বৰ ভাল কথা।

ৰিম – আপোনাৰ পৰা আমি কিছুমান দিহা – পৰামৰ্শ ল'বলৈ আহিছোঁ ছাৰ।

প্ৰ. – হয়নে, বাৰু যি পাৰোঁ ক'ম আৰু।  পৰী, পৰী...

পৰী – এইয়া গৈছোঁ ছাৰ।

প্ৰ. – এওঁলোকৰ কাৰণেও দেই।

দুয়ো – আমাক নালাগে ছাৰ।

অংকিত – আমি ব্ৰেকফাষ্ট কৰি আহিছোঁ।

প্ৰ . – বাৰু, তোমালোকক কি ক'ব লাগে বুলি কৈছিলা?

অংকিত – দুৰ্য্যোগ ব্যৱস্থাপনাৰ বিষয়ে ছাৰ।

প্ৰ. – হুঁ। দুৰ্য্যোগ বুলিলে দুই ধৰণৰ দুৰ্য্যোগৰ কথা আহিব – প্ৰাকৃতিক দুৰ্য্যোগ আৰু মানুহে নিজে মতা বা কৃত্ৰিম দুৰ্য্যোগ। আমি প্ৰাকৃতিক দুৰ্য্যোগৰ বিষয়েহে আলোচনা কৰিম বুইছানে। প্ৰচণ্ড হাই-কাজিয়া, মাৰপিট, গুলিয়াগুলি, জুই লগা – এণেবোৰ নিজেমতা দুৰ্য্যোগৰ কথা নকওঁ। সএইবোৰ এৰাই চলিব পাৰি।

(আপেল আহে)

পৰী – অকণ আমনি দিছোঁ দেই। এয়া খোৱাচোন তোমালোকে।

দুয়ো – থেং ইউ মে'ম।

প্ৰ. – খোৱা। লেবৰেটৰিত আমি চাহ-তাহ খাওঁ। দিনৰ দিনটো, আনকি ৰাতিলৈও কাম কৰি থাকোঁ নহয়। আমাৰ লেবত কি গৱেষণা চলে নিশ্চয় নাজানা? – ইয়াত আমি বহনক্ষম উন্নয়ন সম্পৰ্কীয় গৱেষণা চলাই আছোঁ। (পৰীলৈ) – পৰী, আমাৰ বাবেও আনি লোৱা আৰু তুমিও ইয়াত বহি যোৱা।

পৰী – হ'ব ছাৰ।

প্ৰ. – খোৱা তোমালোকে। আমিও খাই লওঁ।

(সংগীত)

প্ৰ. – বাৰু কোৱাচোন – প্ৰাকৃতিক দুৰ্য্যোগ বুলিলে কেনে ধৰণৰ দুৰ্য্যোগ হ'ব পাৰে?

ৰিমজিম – বানপানী, ভূমিকম্প, ঘূৰ্ণীবতাহ আৰু (**ভবা** দেখুৱায়) –

অংকিত – আৰু ছাৰ আগ্নেয়গিৰিৰ উদ্গীৰণ, ধুমুহা – বৰষুণ, অনাবৃষ্টি, ভূমিস্খলন ইত্যাদি।

প্ৰ. – এৰা, তোমালোকে উল্লেখ কৰা আটাইবোৰেই প্ৰাকৃতিক দুৰ্য্যোগ।

পৰী- ভাৰতত আগ্নেয়গিৰিৰ উদ্গীৰণ অৱশ্যে অতি বিৰল।

প্ৰ. – পৃথিৱীৰ ভিতৰত বুইছানে, পৃথিৱীৰ ভিতৰত ভাৰততে আটাইতকৈ বেছি প্ৰাকৃতিক দুৰ্য্যোগ ঘটে হেনো। কোনে কোৱা কোৱাচোন ভাৰতত কোনটো প্ৰাকৃতিক দুৰ্য্যোগ আটাইতকৈ বেছি সঘনাই হয়।

অংকিত – বানপানী।

প্ৰ. – এৰা, বানপানী। ভাৰতত যিমান দুৰ্য্যোগ হয়, তাৰ ৪৬ শতাংশ সৃষ্টি কৰে বানপানীয়ে। অসম, বিহাৰ আৰু উত্তৰ প্ৰদেশ – এইতিনি খন ৰাজ্য অতি বেছি ভুক্তভোগী।

ৰিমজিম – আমি অহা ৰাস্তাত বানপানীয়ে খহাইছে ছাৰ।

প্ৰ. – হয়, এয়া তেনেই সামান্যহে, বুইছা। এটা অত্যন্ত ভয়ানক প্ৰাকৃতিক দুৰ্য্যোগৰ কথা মনলৈ আহিছে শুনা। চনটো ২০১৩। মাহ আৰু তাৰিখহে মনলৈ অহা নাই। (ভবা দেখৱাই)। কি আছিল জানো!

অংকিত – ২০১৬ চনত হোৱা উত্তৰাখণ্ডৰ বানপানীৰ কথা কৈছে নেকি ছাৰ?

প্ৰ. – হয়, হয়।

অংকিত – ২০১৩ চনৰ জুন মাহ ছাৰ।

পৰী – জুনৰ ১৬ তাৰিখে আটাইতকৈ ভয়ানক আছিল তাৰ ধ্বংশলীলা।

প্ৰ. – সেই সময়ত কি হৈছিল – বাৰিষাৰ সময়ত অঞ্চলটোত সাধাৰণতে যিমান বৰষুণ হয়, জুনৰ ১৬ তাৰিখৰ কেই দিনমান আগৰ পৰা তাত চাৰিগুণ মান বেছিকৈ বৰষুণ হৈছিল। বৰষুণতো বৰষুণেই, লগতে বৰফ গলিও যথেষ্ট পানীৰ প্ৰচণ্ড সোঁত বৈছিল। ফলত উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ আৰু নেপালৰো পশ্চিম অঞ্চল – এইবোৰত প্ৰচণ্ড বানপানী হৈছিল। তাৰ ক্ষতি আছিল অকল্পনীয়! কেদাৰনাথ মন্দিৰৰ নাম শুনিছানে তোমালোকে?

দুয়ো – শুনিছোঁ ছাৰ।

ৰিম – কেইবছৰমান আগতে মামাহঁত কেদাৰনাথলৈ গৈছিল।

প্ৰ.- কেদাৰনাথৰ অকল মন্দিৰটোহে কোনোমতে বাচি গৈছিল। তাৰ ওচৰে – পাজৰে থকা অট্টালিকাবোৰ, দোকান – পোহাৰ সমস্ত উটি গৈছিল। সেই প্ৰচণ্ডবানত ৫৭০০ তকৈ বেছি মানুহৰ প্ৰাণ গৈছিল। ৪২০০ খন গাৱঁৰ ভয়ানক ক্ষতি হৈছিল।  ৰাস্তা ঘাটৰতো কথাই নাই।

পৰী – লগতে এক লাখমান তীৰ্থযাত্ৰী সেই উপত্যকাত আৱদ্ধ হৈ পৰিছিল। তাৰ পৰা ওলাই আহিবলৈ একো এটা নাছিল।

প্ৰ. – আগৰ কথা বাদেই দিলো, এই শতিকাৰ ২০০১, ২০০৪, ২০০৬, ২০০৭ -  এই বছৰকেইতাত ভাৰতৰ কেবাখনো ৰাজ্যত ভয়াবহ বানপানী হৈছিল। ২০০২ আৰু ২০০৪ চনত বিহাৰত, ২০০০ চনত অসমত বানপানীয়ে অভাৱনীয় ক্ষতি কৰিছিল।

ৰিম – অসমততো মাজে মাজে বছৰত তিনি-চাৰিবাৰো বান-পানী হয়।

অংকিত – এটা কথা ছাৰ।
প্ৰ. – কোৱা।

অংকিত – উত্তৰাখণ্ডৰ বানপানীয়ে কিহৰ কাৰণে ইমান ধ্বংস কৰিছিল ছাৰ?

প্ৰ. – পৰিৱেশ বিজ্ঞানী সকলৰ দৃষ্টিৰেই কৈছোঁ, যোৱা কেইটামান দশকত উন্নয়নৰ নামত মানুহে বহুতো ৰাস্তাঘাট সাজিছে, কিন্তু অবৈজ্ঞানিক ভাৱে। নদীৰ পাৰতে ডাঙৰ ডাঙৰ দালান সাজিছে, অথচ তেনে মাটি **তাৰ** বাবে উপযোগী নহয়। তদুপৰি ৰাজ্যখনৰ অ'ত – ত'ত ৭০ টাতকৈও বেছি জলবিদয়ুৎ প্ৰ**ক**ল্পৰ কাম কৰিছে। আন নালাগে, অন্ততঃ এইবোৰেই বিপদ চমু চপাই আনিছিল।

পৰী – ইমানবোৰ **জ**লবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰোঁতে কেবাটাও সুৰং**গ** কাটি উলিয়াব লগীয়া হৈছিল, বহুতো বিস্ফোৰণ ঘটাব লগীয়া হৈছিল। সেইবোৰে অঞ্চলটোৰ মাটিৰ প্ৰাকৃতিক সমতা নষ্ট কৰিছিল। মানে মাটি বহু পৰিমাণে ঢিলা কৰি পেলাইছিল।

অংকিত – বিস্ফোৰণৰ বাবেতো মে'ম –

পৰী – হয়, বিস্ফোৰণৰ বাবে পাহাৰৰ শিলৰ গাঁঠনিও কিছু দুৰ্বল হৈছিল। গতিকে বানপানীৰ সোঁতে শিল, মাটি, **ঘ**ৰ – বাৰী ঢাহি – মুহি নিব পাৰিছিল।

প্ৰ. – এই কথাৰ পৰা বুজিব পৰা যায় যে প্ৰকৃতিক ধ্বংস কৰি উন্নয়ন সাধন কৰিব বিচৰাটো বিপ**দজ**নক হে। **নহয়** বাৰু?

দুয়ো – হয় ছাৰ।

প্ৰ. – যিনহওক, বানপানীৰ ধ্বংসলীলা অসমৰ সকলো বাসিন্দাই দেখিছে। ধেমাজি অঞ্চলৰ লোকৰ বাবে বানপানীতো প্ৰায় লগৰীয়াৰ দৰেই। এতিয়া আমি আন এটা কথালৈ আহিব বিচাৰোঃ অনাবৃষ্টি। অনাবৃষ্টিয়ে খৰাং বতৰ সৃষ্টি কৰে। তোমালোকে খৰাঙৰো আভাস পোৱা দৰকাৰ।

পৰী – ভাৰতত বানপানী বেছি সঘনাই হয় ঠিকেই, কিন্তু অনাবৃষ্টি বা খৰাংহে বেছি ভয়াবহ দুৰ্য্যোগৰ কাৰক।

অংকিত – তাৰ কাৰণ কি মে’ম?

পৰী – অনাবৃষ্টি অৱস্থা হ’লে খেতি পথাৰে পানী নাপায়। মাটি শুকায় যায়। বাহিৰৰ পৰা তুমি যিমানেই পানী নিদিয়া, প্ৰাকৃতিক ভাৱে পোৱা পানীৰ দৰে হ’ব নোৱাৰে। গতিকে উদ্ভিদ বাচি নাথাকে। ফলত খাদ্যবস্তুৰ অ**ভা**ৱে মানুহৰ মাজত হাহাকাৰ সৃষ্টি নকৰিবনে?

প্ৰ. – হয়, অনাবৃষ্টিয়ে বানপানীৰ তুলনাত অধিক বিপৰ্য্যয় ঘটায়। গৱেষণাৰ পৰা পোৱা মতে কি জানা – অনাবৃষ্টিয়ে ৬৮ শতাংশ, ভুমিকম্পই ৫৭ শতাংশ আৰু বানপানীয়ে মাত্ৰ ১২ শতাংশ হে **ধ্বংস** সাধন কৰে।

ৰিম – আমাৰ ইয়াত, মানে অসমত অনাবৃষ্টি বৰ কমেহে হয় যেন নালাগেনে মে’ম?

পৰী – এৰা, অসমত অনাবৃষ্টি কমহে হয়। আনহাতে দক্ষিণ আফ্ৰিকাত অনাবৃষ্টি প্ৰায় চিৰ লগৰীয়া। তাত এতিয়াও অনাবৃষ্টি চলি আছে। কেইদিনমান আগতে ইয়াক দেশৰ ৰাষ্ট্ৰীয় দুৰ্য্যোগ হিচাপে চৰকাৰে ঘোষণা কৰিছে।

অংকিত – গুজৰাট আৰু মহাৰাষ্ট্ৰতো বৰ কম বৰষুণ হয় বুলি পঢ়িছো।

ৰিম – ৰাজস্তানতো।

পৰী – সচাঁ, অন্যবোৰ **ৰা**জ্যৰ তুলনাত ৰাজস্থান, গুজৰা**ট** আৰু মহাৰাষ্ট্ৰ – এই তিনিও ৰাজ্যত খৰাং বেছি। সেয়ে সেইবোৰ ৰাজ্যত খাদ্যবস্তু উৎপন্ন কৰিবলৈ মানুহে বহু বেছি কষ্ট কৰিব লগীয়া হয়।

প্ৰ. – মোৰ যিমান দূৰ মনত পৰে, ১৯৯৯, ২০০০ আৰু ২০০১, এই তিনিটা বছৰ জুৰি ভাৰতৰ কিছু অংশ এনে খৰাং অৱস্থাৰ সৃষ্টি হৈছিল।

ৰিম – ছাৰ।

প্ৰ. – কোৱা ৰিমজিম...

ৰিম – ঘুৰ্ণী বতাহো বৰ ধ্বংসকাৰী নহয়নে?

প্ৰ. – এৰা, বানপানীৰ পাছতে বেছি সঘনাই হোৱা দুৰ্য্যোগ ঘুৰ্ণীবতাহ।

অংকিত – ঘুৰ্ণীবতাহৰ শক্তি কি প্ৰচণ্ড কল্পনা কৰিব নোৱাৰি!

ৰিম – এদিনযে দাদা আমাৰ স্কুলৰ ছাৰ এজনে ইন্টাৰনেটত দেখুৱাইছিল!

অংকিত – তাকেই কৈছোঁ। তাত দেখিছিলোঁ, ঘুৰ্ণীয়ে ঘৰ-বাৰী ভাঙি মহতিয়াই পেলাইছিল, কেইবাখনো গাড়ী ওপৰলৈ উঠাই দিছিল!

ৰিম – উঃ, ভাবিবই নোৱাৰি!

প্ৰ. – পৰী

পৰী – ছাৰ

প্ৰ. – ভূচিত্ৰাৱলীখন আনাচোন।

পৰী – এয়া ছাৰ। এইখন ভাৰতৰ মেপ।

প্ৰ. – চাওঁ, ৰিমজিম, অংকিত দুয়ো অলপ ওচৰলৈ আহা। এইখন চোৱা। এয়া চোৱা বংগোপ সাগৰৰ উপকূল অঞ্চল, এইপিনে আৰৱ সাগৰৰ উপকূল। মুঠ উপকূল ৭৫০০ কিলোমিটাৰ জোৰা। বংগোপ সাগৰৰ উপকূল অঞ্চলত মে'-জুন আৰু অক্টোবৰ – নবেম্বৰত প্ৰায়েই ঘূৰ্নী বতাহ হয়। লগতে বানপানীও।

পৰী – আৰৱ সাগৰৰ উপকূলত ঘূৰ্নী বতাহ অলপ কমকৈ হয়।

প্ৰ. – হয়। সেই উপকূলৰ মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ কোনো কোনো অঞ্চলত ঘূৰ্ণীবতাহে কিছু তাণ্ডৱ চলায়।

ৰিম – মে’ম

পৰী – কোৱাচোন বাৰু।

ৰিম – মানুহেও কয়, বাতৰিতো ওলায় যে, অসমত যিকোনো দিনাই প্ৰৱল ভূমিকম্প হ’ব পাৰে। তেতিয়া হ’লে –

পৰী – আচলতে বিজ্ঞানী সকলে কৰা ভৱিষ্যদ্বানীৰ কথাহে মানুহে কয়, বাতৰিতো ওলায়। ভূমিকম্পৰ ভৱিষ্যদ্বানী কৰা অত্যন্ত কঠিন বুলিও বিজ্ঞানী সকলে কয়। আমি ক’বলৈ কোনকুটা!

প্ৰ. – হ’লেও কথাটো গুৰুত্বপূৰ্ণ। সৰুসুৰা ভূমিকম্পতো হয়ে থাকে। নহয়নে? ১৮৯৭ চনৰ জুন মাহত আৰু ১৯৫০ চনৰ ১৫ আগষ্টৰ দিনাখন অসমত অতি প্ৰৱল ভূমিকম্প হৈছিল। দুয়োটাতে ৰাজ্যখনৰ বিস্তৰ ক্ষতি হৈছিল। আৰু এতিয়াওযে ভূমিকম্প নহ’ব ক’ব নোৱাৰি।

অংকিত – যোৱাবেলি নেপালতো ডাঙৰ ভূমিকম্প হৈছিল।

পৰী – হয়, টিভিত নিশ্চয় দেখিছিলা।

দুয়ো – হয় মে’ম।

পৰী – একেদৰে নেপালত ২০১৫ চনৰ এপ্ৰিল মাহতো ডাঙৰ ভূমিকম্পই বহুত ক্ষতি কৰিছিল।

প্ৰ. – আচলতে ভাৰতৰ বেছি অংশই ভূমিকম্পৰ সম্ভাৱনা থকা। বিশেষকৈ হিমালয় পৰ্বত অঞ্চল, হিমালয়ৰ নামনি অঞ্চল, গুজ**ৰাটৰ ও**চৰৰ কচ্ছ আৰু আন্দামান আৰু নিকোবাৰ দ্বীপ পুঞ্জ – এইবোৰ বেছি ভুমিকম্প প্ৰৱণ।

পৰী – কচ্ছ অঞ্চলৰ কথা ওলাইছে যেতিয়া কওঁ – ২০০১ চনত গুজৰাটৰ কচ্ছ অঞ্চলত প্ৰচণ্ড ভুমিকম্প হৈছিল। তাত প্ৰায় ১৪ হাজাৰ মানুহৰ প্ৰাণ গৈছিল। ডেৰ লাখৰ বেছি আহত হৈছিল।

প্ৰ. – ভাৰতত আজিলৈকে যিমান ডাঙৰ ভূমিকম্প হৈছে, তাৰ ভিতৰত এইটো অন্যতম।

পৰী – অসমতো আছেই, উত্তৰ – পুৰ্বাঞ্চলৰ অন্যান্য ৰাজ্য সমূহ, বিহাৰ, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, গুজৰাট, জম্মু আৰু কাশ্মীৰ – এইবোৰ ৰাজ্যত ভূমিকম্পৰ সম্ভাৱনা বেছি।

অংকিত – ছাৰ, ভূমিস্খলন, শিলাস্খলন – এইবোৰো দুৰ্য্যোগৰ ভিতৰত নপৰিবনে?

প্ৰ. – নিশ্চয়, নিশ্চয় পৰিব। প্ৰত্যক্ষদৰ্শী ইয়াতেই আছে।

দুয়ো – মানে ছাৰ?

প্ৰ. – পৰীয়েই প্ৰত্যক্ষদৰ্শী। পৰী তুমি নিজেই কোৱা।

পৰী – আজিৰপৰা ছবছৰমান আগৰ কথা। তেতিয়া মই ইঞ্জিনিয়াৰিং পঢ়ি আছোঁ। ছিকিমত। বন্ধত ঘৰলৈ আহি আছিলোঁ। শিলিগুড়িলৈ ৪০ কিলোমিটাৰমান বাকী আছিল। জুলাই মাহ, বাৰিষাৰ বতৰ। বাছত আহি আছিলোঁ। হঠাতে **দে**খিলোঁ, দীঘলীয়া **লা**ইন পাতি গাড়ীবোৰ ৰৈ আছে। ৰাস্তা বন্ধ!

ৰিম – ভূমিস্খলন?

পৰী – বুজিছাই। ৰৈ আছোঁ, ৰৈ আছোঁ। নাই। কোনো গাড়ী লৰচৰ নকৰে। তিনি ঘন্টামান ৰোৱাৰ পাছতো গাড়ী নলৰিল। আমি পুনৰ ছিকিমলৈ উভতি গ'লোঁ।

প্ৰ. – এনেকুৱা ঘটনা আৰু অনেক শুনিবলৈ পাওঁ। বেছি জোৰে বৰষুণ হলে পাহাৰৰ পৰা অকল মাটিয়েই নহয়, ডাঙৰ-সৰু শিলাখণ্ডও সৰি পৰে। ৰাস্তা বন্ধ হয়। শিলাখণ্ডই ৰাস্তা ভাঙিও পেলাব পাৰে।

পৰী – এয়াও এটা প্ৰাকৃতিক দুৰ্য্যোগ। এনেকুৱা দুৰ্য্যোগ অকল ছিকিমতে ঘটে বুলি নাভাবিবা আক’। পৃথিৱীৰ যি কোনো পাহাৰীয়া ঠাইতে হ’ব পাৰে।

অংকিত – অৰুণাচলত হৈ থকাটো জানো মে’ম।

পৰী – দাক্ষিনাত্য নীলগিৰি পৰ্বততো বহুতো ভূমিস্খলণ হয়।

ৰিম – গুৱাহাটীৰ কথা বাতৰি কাকতত পঢ়িয়ে থাকোঁ। গুৱাহাটীৰ বিভিন্ন অঞ্চলৰ পাহাৰৰ মাটি আৰু শিল খহি পৰি মানুহৰ ঘৰ-বাৰী ভাঙে, মানুহ মৰে।

প্ৰ.- হয়, গুৱাহাটী**তো** ভূমিস্খলণ হয়। ভূমিস্খলনত ৰাস্তা ভাঙে বা বন্ধ হয়, খেতি-বাতিও ধ্বংস হ’ব পাৰে, বিজুলী সৰবৰাহ **লাই**ন ছিগি পেলাব পাৰে। ব্যক্তিগত আৰু ৰাজহুৱা ঘৰবাৰী, সা-সম্পত্তি ধ্বংস কৰে।

(প্ৰসংগ সলাবৰ বাবে)

পৰী, পানী এগিলাচ আনিবলৈ কোৱা। (ৰিমজিম আৰু অংকিতক  সম্বোধণ কৰি) তোমালোকে এই দুটা খাই লোৱা। কেডবেৰিজ।

দুয়ো – থেংক ইউ ছাৰ।

(সলনিৰ/ পটপৰিৱৰ্ত্তনৰ সংগীত)

প্ৰ. – এতিয়ালৈকে তোমালোকক কি ক’লো?

অংকিত – দুৰ্য্যোগ কি কি ধৰণৰ হ’ব পাৰে –

প্ৰ. – এইবোৰ দুৰ্য্যোগনো কেনে উপায়ে প্ৰশমণ কৰিব পাৰি সেই বিষয়ে সাধাৰণভাৱে আলোচ**না** কৰিম। তোমালোকৰ ক্লাবৰ কৰ্মপন্থাত এনেবোৰ কথাই সহায় কৰিব যেন লাগেচোন।

অংকিত – নিশ্চয়, নিশ্চয় সহায় কৰিব ছাৰ। আমি কিছুমান উপায়ৰ কথা জানিব পাৰিম।

প্ৰ. – এটা কথা বুইছা – প্ৰায়বোৰ দুৰ্য্যোগ আজিৰ নিচিনাকৈ সুদূৰ অতীত কালতো আছিল। তাৰ কিছু পৰিমাণে উপশম কৰিবৰ বাবে মানুহে অতীজতো ব্যৱস্থা লৈছিল। **উ**দাহৰণ এটা দিওঁ – তাহানি ৰাজস্থান অঞ্চলত মানুহে মাটিৰ তলত ডাঙৰ ডাঙৰ গাঁত খান্দি পানী জমা কৰি **ৰাখিছিল।** কিয় বাৰু? অনুমান কৰিব পাৰিছানে?

ৰিম – খৰাং হ'লে পানী নোহোৱা হ'ব। তেতিয়া তেওঁলোকে সেই পানী ব্যৱহাৰ কৰিব পাৰিব।

প্ৰ. – এৰা, একেবাৰে ঠিক কথা। এতিয়াও সেই ব্যৱস্থাটো আছে। আমাৰ অসমত সম্ভবতঃ তেনে ব্যৱ**স্থা** নাই। কাৰণটো বুজিছাই। অসমত খৰাং বতৰ বৰ কম।

পৰী – বৰ্তমানো দেশৰ বিভিন্ন অঞ্চলৰ বাসিন্দা সকলে নিজা নিজা প্ৰচেষ্টাৰে কিছুমান ভাল কাম কৰি আছে। **খ**ৰাং বতৰতো কিছু সহজতে খেতি কৰিব পৰাৰ ব্যৱস্থা কৰিছে। বানপানীৰ পৰা হাত সাৰিবৰ উদ্দেশ্যে ওখকৈ মাটিৰ ঢাপ উঠাই ঘৰ সাজে- বিশেষকৈ বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যত।

প্ৰ. – বানপানীৰ পৰা সকাহ পাবৰ উদ্দেশ্যে পুণেত চৰকাৰে কি কৰিছে – পানী বৈ যোৱা নলাত নতুন ব্যৱস্থা কৰিছে। বহুতো দলং বহলাই সাজিছে। আকৌ খৰাং দিনত পানী বচাবৰ উদ্দেশ্যে চৰকাৰে এটা বিশেষ প্ৰচেষ্টা চলাইছে। প্ৰচেষ্টা মানে, একে পানীকে কেবাবাৰো ব্যৱহাৰ কৰা আৰু বৰষুণৰ পানী ব্যৱহাৰ কৰা বাসিন্দাসকলক পৌৰকৰৰ পৰিমাণ কমাই দিয়াৰ ব্যৱস্থা কৰিছে।

পৰী – মানে পানীৰ অভাৱ থকা অঞ্চলত চৰকাৰে পানী সঞ্চয় ব্যৱস্থাক উৎসাহিত কৰিছে।

ৰিম – পানী নোহোৱা অঞ্চলত বৰষুণৰ পানীৰেচোন জমাকৰি ৰাখিব পাৰে –

অংকিত – অ’ তই কি কৰ্, বৰষুণ হ’লেতো পানী থাকিলেই হেঁতেন।

প্ৰ. – এৰা, দুয়োটাই সঁচা। বছৰটোৰ ভিতৰত কেতিয়াবাতো কিছু হ’লেও বৰষুণ আহিব। আহিলেই সঞ্চয় ভাণ্ডাৰত পানী জমা কৰিব পাৰে।

**অং**কিত – মানুহ এনে বিষয়ত সচেতন হ’লেহে আৰু।

প্ৰ. – হ’ব। মানুহক সজাগ কৰিব লাগিব। প্ৰশিক্ষণ দিব লাগিব। চোৱা, দুৰ্যোগ ব্যৱস্থাপণাৰ বাবে ৰাস্তাঘাট, সংযোগ ব্যৱ**স্থা**, মানুহৰ মাজত সজাগতা, বিভিন্ন ক্ষেত্ৰত মানুহৰ দক্ষতা – এনেবোৰ কথাৰ অতি প্ৰয়োজন।

পৰী – প্ৰশিক্ষণে মানুহক দক্ষতা দিব, সজাগতাও **দি**ব। কিন্তু ৰাস্তাঘাট আৰু সংযোগ ব্যৱস্থাৰ বাবে চৰকাৰী প্ৰচেষ্টা নহ’লে নহ’ব।

প্ৰ. – দুৰ্যোগ ব্যৱস্থাপণাৰ বিভিন্ন **দিশ** চম্ভালিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিষ্ঠান আছে - **National Disaster Management Authority**, অৰ্থাৎ কেন্দ্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ। এই প্ৰতিষ্ঠানে দুৰ্যোগ ব্যৱস্থাপণাৰ নীতি নিৰ্ধাৰণ কৰে আৰু সেইমতে দিহা- পৰামৰ্শ দিয়ে।

অংকিত – আমাৰ অসমত ছাৰ?

প্ৰ. – আছে। ৰাজ্যবোৰতো তেনে প্ৰতিষ্ঠান আছে। - ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপণা কৰ্তৃপক্ষ।

পৰী – ২০০৩ চনত চৰকাৰে এখন জাতীয় অনুষ্ঠানো প্ৰতিষ্ঠা কৰিছে। তাৰ নাম **National Institute of Disaster Management** - দুৰ্যোগ ব্যৱস্থাপনাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান।

ৰিম – এই অনুষ্ঠানে কি কৰে মে’ম?

পৰী – এইবিলাকৰ কাম হৈ**ছে** বিভিন্ন দুৰ্য্যোগৰ বিষয়ত গৱেষণা কৰা, প্ৰশিক্ষণৰ আৰ্হি প্ৰস্তুত কৰা, আলোচনা চক্ৰ, বকৃতা আদিৰ ব্যৱস্থা কৰি মানুহৰ মাজত সজাগতা সৃষ্টি কৰা – এনেকুৱা।

ৰিম – মনত আছেনে দাদা, যোৱাবেলিযে আমাৰ স্কুলৰ চৌহদত ভূমিকম্পৰ কিবা মক ড্ৰিল দেখুৱাইছিল?

অংকিত – উঁ, আমাৰ গণিতৰ ছাৰেও যে ভাও লৈছিল। মনত আছে।

পৰী – তেনেকুৱা প্ৰগ্ৰেম দেশৰ সকলো ঠাইতে চলি থাকে। ভূমিকম্প বুলিয়েই নহয় বানপানীৰ পৰা ৰক্ষা পৰিবলৈও প্ৰশিক্ষণ দিয়া হয়।

প্ৰ. – দহ **বছৰ**মান পূৰ্বে কেন্দ্ৰীয় চৰকাৰে এখন আইন প্ৰণয়ণ কৰিছে – **Disaster Management Act 2005** (দুৰ্য্যোগ ব্যৱস্থাপণা আইন – ২০০৫)। ইয়াৰ উদ্দেশ্য হৈছে দুৰ্য্যোগৰ পৰা হ'ব পৰা বিপদৰ মাত্ৰা কমাই **উ**ন্নয়ণৰ পথ প্ৰশস্ত কৰা। দেশৰ দুৰ্য্যোগ প্ৰৱণ অঞ্চলবোৰত চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ আঁচনি লৈছে।

অংকিত – ছাৰ, অসম ভূমিকম্প প্ৰৱণ ৰাজ্য নহয় জানো?

প্ৰ. – হয়, অসম **ভূ**মিকম্প প্ৰৱণ। উত্তৰ পূৱ অঞ্চলটোৱেই তেনেকুৱা। এইযে চৰকাৰে লোৱা আঁচনিৰ কথা ক'লোঁ, সেইমতে দুৰ্য্যোগপ্ৰৱণ অঞ্চলত সাজিব খোজা অট্টালিকা আৰু অন্যান্য নিৰ্মাণবোৰত ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থা ৰখাটো বাধ্যতামূলক কৰিছে। আইনখনে মাটিৰ সমুচিত ব্যৱহাৰ, জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি – এনেকুৱা কেইবাটাও কথা গুৰুত্ব দিছে।

ৰিম – ছাৰ, আমাৰ অসমত সদায় দেখোন বানপানীৰ তাণ্ডৱ চলিয়ে থাকে। তাৰ কাৰণে চৰকাৰে-

প্ৰ. – বান প্ৰতিৰোধৰ উদ্দেশ্যে চৰকাৰে আচঁনি নোলোৱা **নহ**য়। কেন্দ্ৰীয় চৰকাৰে কেবা বছৰ পূৰ্বে বানপানী ব্যৱস্থাপণা আঁচনি গ্ৰহণ কৰিছে। সেই আঁচনি অনুসৰি যিবোৰ ৰাজ্যত

**প্ৰয়ো**জন আছে তাৰ নদী উন্নয়ন, বানপানী নিয়ন্ত্ৰণ আৰু লগতে পানী ওলাই যাব পৰা ব্যৱস্থা পূৰ্বতকৈ উন্নত কৰিবলৈ বহু কৌটি ধন খৰচ কৰিছে।

পৰী – অন্যান্য আঁচনিও কেইখনমান আছে।

অংকিত – কেইবছৰমান আগতে এখন প্ৰদৰ্শনীত এটা অতি মজাৰ আৰ্হি দেখিছিলোঁ। আমাৰ অসমৰ বিশেষকৈ ধেমাজি অঞ্চলত তাৰ সুন্দৰ প্ৰয়োগ হ'ব পাৰে।

প্ৰ. – কোৱাচোন আৰ্হিটোৰ বিষয়ে –

অংকিত – আৰ্হিটোত কেনেকৈ বান**পা**নী হৈ থকা সময়তো কলৰ ভূৰৰ ওপৰতে ধান, ঘেহুঁ আদি কিছুমান খেতি কৰি থাকিব পাৰি তাকে দেখুৱাইছিল।

প্ৰ. – এয়া সজাগতাৰ এটা সমুচিত উদাহৰণ।

পৰী – মই যিমান দূৰ বুজোঁ,, দুৰ্য্যোগ ব্যৱস্থাপণা বুলি**লে** চাৰি ধৰণৰ কথা সোমাই থাকেঃ দুৰ্য্যোগ প্ৰতিৰোধ কৰা, দুৰ্য্যোগ উপশম কৰা, দুৰ্য্যোগৰ মুখামুখি হ'ব পৰাকৈ সাজু কৰা, আৰু চতুৰ্থতে ভুক্ত**ভো**গীক সাহায্য প্ৰদাণ কৰা।

অংকিত – ভূমিকম্প, ঘূৰ্ণীবতাহ, ছু**ণা**মি – এইবোৰ প্ৰাকৃতিক দুৰ্য্যোগ প্ৰতিৰোধ কৰা সহজ জানো মে'ম?

পৰী – ওহোঁ, সহজ নহয়, ঠিকেই কৈ**ছা**। সেইবোৰৰ মুখামুখি হ'বলৈ মানুহক সাজু কৰি ল'ব লাগিব। তোমালোকৰ অনুষ্ঠানটো গঢ় লৈ উঠিবলৈ হ'লে এনেবোৰ কথালৈ মন দিব লাগিব কিন্তু দেই।

দুয়ো – হয় মে'ম।

ৰিম – আৰু এটা কথাত নজৰ দিয়া দৰকাৰ হ'ব।

পৰী – মানে?

ৰিম – মানে বানপানীয়ে প্ৰতিবছৰে খেতি-বাতিযে উছন কৰে তালৈ নজৰ দিব লাগিব।

পৰী – হয়, হয়। বৰ দৰকাৰী কথা এইটো। পিছে অকল খেতিয়েই নহয়, বানপানীয়ে ঘৰ-বাৰী, ৰাস্তা-ঘাট, দলং আদিৰ যি ক্ষতি কৰি আছে তাৰ তুলনা নাই। খেতি ধ্বংস কৰা মানে মানুহক আৰ্থিকভাৱে কঁকাল ভঙা। নহয়নে?

দুয়ো – হয়।

ৰিম – ঘৰ-বাৰী ভাঙি উতুৱাই নিলেও একেই।

অংকিত – বানপানীৰ ফলত প্ৰায় সকলোবোৰ উন্নয়নৰ কাম বন্ধ হৈ যায়।

পৰী – এতিয়া বানপানীৰ প্ৰকোপ কমাই পেলাবৰ বাবে চৰকাৰে ব্ৰহ্মপুত্ৰৰ তলিখনকে খান্দিবলৈ পাঙিছে।

প্ৰ. – মই কিন্তু বৰ আশাবাদী নহয়। মানে ইমান দীঘলীয়া ব্ৰহ্মপুত্ৰৰ তলি খন্দাটো সহজসাধ্য নহয়। যিনহওক, চৰকাৰে অন্ততঃ চিন্তা কৰিছে।

অংকিত – কিন্তু ছাৰ আপুনিতো কৈছিল যে বানপানীৰ তুলনাত ভাৰতত খৰাং অৱস্থাইহে খেতিৰ অধিক ক্ষতি কৰে।

প্ৰ. – সঁচা। গৱেষক সকলে কৰা অধ্যনেতো তাকে দেখুৱাইছে।

পৰী – খৰাঙৰো প্ৰতিৰোধ ব্যৱস্থা আছে। অন্ততঃ কিছু হ'লেও। জলসিঞ্চণ। জলসিঞ্চন ব্যৱস্থা যথেষ্ট উন্নত কৰিব পাৰিলে খৰাং অৱস্থাতো শস্য উৎপাদণ অব্যাহত থাকিব।

অংকিত – খৰচ নিশ্চয় যথেষ্ট হ'ব।

পৰী – হ'ব। খৰচৰ কথা সদায়েই থাকিব।

প্ৰ. – ভাৰতৰ দুৰ্য্যোগ ব্যৱস্থাপনাত এটা ডাঙৰ আসোঁৱাহ আছে বুইছা। ইয়াত **স**দায় প্ৰাকৃতিক দুৰ্য্যোগ ব্যৱস্থাপনাতহে গুৰুত্ব দিয়া হয়। অথচ মানৱ সৃষ্ট দুৰ্য্যোগৰ পৰাও আমাৰ কম ক্ষতি নহয়।

পৰী – হয় ছাৰ, আপুনি কোৱাটো মন কৰিবলগীয়া। বিশেষকৈ কৃষিৰ বেলিকা। কৃষি আক্ৰমণ কৰা বিভিন্ন বেমাৰ, পোক – পতংগ, বন্য জীৱ-জন্তু, অপতৃণ আদিয়ে বিস্তৰ ক্ষতি কৰে। কীট-নাশক আৰু অন্যান্য নিয়ন্ত্ৰণ ব্যৱস্থা প্ৰয়োগ কৰাৰ পাছতো পৃথিৱীৰ মুঠ উৎপাদণৰ ৩৫ শতাংশ অপচয় হয়।

প্ৰ. – প্ৰাকৃতিক হওক, মানৱসৃষ্টই হওক, দুৰ্য্যোগ মানেই সংঘাত। মানে দুৰ্য্যোগেও আনিব পাৰে নতুন দিগন্তৰ সংবাদ।

অংকিত – মানে ছাৰ?

প্ৰ. – চোৱা। বিভিন্ন দুৰ্য্যোগে মানুহৰ বিভিন্ন ক্ষতি কৰে। কিন্তু একে সময়তে দুৰ্য্যোগে আমাৰ আন ধৰণে উপকাৰো কৰে। এইটো আক' কি কথা! নহয়নে? (অলপ ৰৈ) বুজাই কৈছোঁ – কোনো এটা দুৰ্য্যোগ ঘটি যোৱাৰ পাছত জনসাধাৰণ আৰু চৰ**কাৰ** উভয়পক্ষেই যথেষ্ট সন্তম হৈ উথে।  **জ**নসাধাৰণে নিজেই কিছুমান দুৰ্য্যোগৰ পৰা হাতসৰাৰ উপায় বিচাৰি উলিয়াব। চৰকাৰে ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় সংস্থা, আনকি বেচৰকাৰী সংস্থাকো হাতত লৈ নতুনকৈ উন্নয়নৰ কামত লাগে।

পৰী – ৰাস্তাঘাট উন্নত প্ৰযুক্তিৰে নিৰ্মাণ কৰিবলৈ লয়। ঘৰবাৰী নিৰ্মাণটো নতুন উন্নত প্ৰযুক্তি খটুৱাবলৈ ব্যৱস্থা গ্ৰহণ কৰে।

অংকিত – কেতিয়াবা দেখোন বাতৰিত পাওঁ – বানপানীৰ ভুক্তভোগীলৈ চৰকাৰী সাহায্য নাহে। কিবা আহিলেও সময়মতে নাহে।

প্ৰ. – মিছা নহয়, কেতিয়াবা সাহায্য সময় মতে নাহে। যেনেকৈ আমাৰ বাবে এতিয়াও অহা নাই আৰু একাপ চাহ। বা তোমালোকৰ বাবে অহা নাই আপেলৰ ৰস।

(আটায়ে একেলগে হাঁহে)

*****************************************************
প্ৰশ্ন

১. অসম ভুক্তভোগী হোৱা তিনিবিধ উল্লেখযোগ্য প্ৰাকৃতিক দুৰ্য্যোগ কি কি?

উ. বানপানী, ভূমিকম্প আৰু ধুমুহা – বৰষুণ।

২. কুৰি শতিকাৰ কোন চনত অসমত অতি প্ৰৱল ভূমিকম্প হৈছিল?

উ. ১৯৫০ চনত।

****************************************************